Total No. of printed pages = 2

63/2 (SEM-1) ASM 102

**2021**

(held in 2022)

**ASSAMESE**

(Theory Paper)

Paper Code : ASM-102

**(Evolution of Assamese Language)**

Full Marks – 80

Time – Three hours

The figures in the margin indicate full marks for the questions.

১। চমু টোকা লিখা (যি কোনো চাৰিটা)ঃ ৫×৪=২০

(ক) ভাৰতীয় আৰ্য ভাষা

(খ) অপভ্ৰংশ

(গ) উপভাষা আৰু অসমীয়া ভাষাৰ উপভাষা

(ঘ) অসমীয়া ভাষাত বড়ো ভাষাৰ উপাদান

(ঙ) বাতৰি কাকতৰ ভাষা।

তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখাঃ ১০×৩=৩০

২। তাম্ৰলিপি কি ? তাম্ৰলিপিৰ ভাষাই অসমীয়া ভাষাটোক সমৃদ্ধ কৰিছে বুলি তুমি ভাবা নে, বুজাই লিখা। ২+৮=১০

[Turn over

৩। লোকসাহিত্যৰ ভাষাত ঘাইকৈ কোনবোৰ উপাদান পোৱা যায় ? লোকসাহিত্যই ভাষা একোটাৰ প্ৰাচীন ৰূপটোক নিৰ্দেশ কৰিব পাৰে নে ? অসমীয়া ভাষাৰ পৰা উদাহৰণ লৈ বুজাই লিখা। ২+৮=১০

৪। মধ্যযুগীয় অসমীয়া সাহিত্যক কোন শ্ৰেণীৰ ভাষাই সমৃদ্ধ কৰি তুলিছিল বুলি তুমি ভাবা, যি কোনো এবিধ সাহিত্য সামগ্ৰীৰ আধাৰত বুজাই লিখা। ২+৮=১০

৫। অসমীয়া ভাষাৰ উদ্ভৱ সম্পৰ্কে সকলো দিশ সামৰি এটি আলোচনা যুগুত কৰা। ১০

তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা ঃ ১৫×২=৩০

৬। ব্ৰজাৱলী ভাষাৰ উৎস, উৎপত্তি, বৈশিষ্ট্য আৰু ব্যৱহাৰ সম্পৰ্কে সকলো দিশ সামৰি এটা আলোচনা যুগুত কৰা। ১৫

৭। প্ৰত্ন অসমীয়া ভাষা বুলিলে তুমি কি বুজা ? প্ৰত্ন অসমীয়া ভাষাই আধুনিক অসমীয়া ভাষাক কেনেদৰে সমৃদ্ধ কৰিছে, বুজাই লিখা। ৩+১২=১৫

৮। আধুনিক অসমীয়া সাহিত্যৰ উত্থানত কোনখন বাতৰি কাকতে মুখ্য ভূমিকা গ্ৰহণ কৰিলে বুলি তুমি ভাবা ? এই কাকতৰ ভাষিক বৈশিষ্ট্যবোৰ উল্লেখ কৰা। লগতে আধুনিক অসমীয়া সাহিত্যৰ উত্থানত এইখন কাকত কিদৰে সহায়ক হ'ল, সেই বিষয়েও তোমাৰ ধাৰণা ব্যক্ত কৰা। ৩+১২=১৫